আমাৰ অসম
গুৱাহাটী, শুকুৰবাৰ ■ ২০ আঘোণ, ১৯৪৬ শক
■ ৬ ডিচেম্বৰ ২০২৪

# দিছপুৰ কলেজত নৌসেনা দিৱস

'আমাৰ অসম'ৰ মহানগৰ সংবাদ, ৫ ডিচেম্বৰ ঃ গুৱাহাটীৰ দিশপুৰ মহাবিদ্যালয়ৰ ৪৮ অসম নৌ এন.চি.চি. গোটৰ উদ্যোগত বুধবাৰে দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ প্ৰতিমা বৰুৱা পাণ্ডে প্ৰেক্ষাগৃহত 'ভাৰতীয় নৌ দিৱস ২১২৪ তথা ১৯৭১ ভাৰত-পাক যুদ্ধৰ বীৰ সৈনিকৰ সম্বৰ্ধনা অনুষ্ঠান' উদ্‌যাপন কৰা হয়। এই অনুষ্ঠানৰ সতে সংগতি ৰাখি ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ নৌ সেনানীক সন্মান আৰু সম্বৰ্ধনা জনোৱা হয়। দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নবজ্যোতি বৰাৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভাৰতীয় সেনাৰ উচ্চ পদস্থ বিষয়া ব্ৰিগেডিয়াৰ অজিত কুমাৰ বৰা (ভি.এছ.এম), গ্ৰুপ কামাণ্ডাৰ, গুৱাহাটী এন.চি.চি. গ্ৰুপ, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে কম'ডৰ কমলেশ চন্দ্ৰ চৌধুৰী (ভি.এছ.এম) (অৱসৰপ্ৰাপ্ত)। অনুষ্ঠানটিৰ আঁত ধৰে মহাবিদ্যালয়ৰ এন.চি.চি. গোটৰ চি.টি.অ' দ্বয় সুতীব্ৰ মালাকাৰ আৰু ছেৰলিন ইংজাইপিয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে লেফ্ টেনেণ্ট কামাণ্ডাৰ দেবানন্দ দলে। অনুষ্ঠানৰ স'তে সংগতি ৰাখি যি সম্বৰ্ধনা অনুষ্ঠানত ১৯৭১ চনৰ ভাৰত-পাক যুদ্ধৰ সেনানী লক্ষ্মী গগৈক সম্বৰ্ধনা জনোৱা হয়।